**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-JAN-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————————

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত কালি বিজেপিৰ এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসম বিধানসভা নিৰ্বাচনৰ প্ৰভাৰী বৈজয়ন্ত জে পাণ্ডা, ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিৱেদী, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজুকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বৈঠকত ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা হোৱাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ সমাগত অসম ভ্ৰমণৰ বিভিন্ন কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰা হয়। এই বৈঠক সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ শৰ্মাই সাংবাদিকৰ আগত এইদৰে কয়—

**বাইট (চি এম)**

০০০০০০

চৰাইদেউ জিলাৰ দিচাংপানীত কালিৰে পৰা **ষষ্ঠ বাৰ্ষিক সোণাৰু কাঞ্চন কৃষ্ণচূড়া মহোৎসৱ** অনুষ্ঠিত হৈছে। প্ৰকৃতি সংৰক্ষণ আৰু সজাগতাৰ বাৰ্তা লৈ ৩ দিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে অনুষ্ঠিত এই মহোৎসৱত গ্ৰন্থমেলা, থলুৱা বস্ত্ৰমেলা, জনগোষ্ঠীয় খাদ্য মেলাৰো আয়োজন কৰা হৈছে। প্ৰকৃতিপ্ৰেমী যুৱক অনুপ পাটকাইৰ নেতৃত্বত শিল্পী, সাংবাদিক তথা সচেতন নাগৰিকৰ প্ৰচেষ্টাত চৰাইদেউ জিলাত ২০১৯ চনৰে পৰা সোণাৰু, কাঞ্চন, কৃষ্ণচূড়াৰ গছপুলি ৰোপণ আৰু প্ৰতিপালন কৰি থকা হৈছে। জিলাখনৰ বিভিন্ন ঠাইত প্ৰকৃতিৰ প্ৰতি সজাগতা সৃষ্টি আৰু পৰ্য্যটকক আকৰ্ষণ কৰিবলৈ প্ৰতিবছৰে এই সময়ছোৱাত সোণাৰু, কাঞ্চন, কৃষ্ণচূড়া মহোৎসৱ অনুষ্ঠিত কৰি অহা হৈছে।

০০০০০০

সমাগত গণৰাজ্য দিৱস উপলক্ষে ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত কালি এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত গণৰাজ্য দিৱসৰ প্ৰস্তুতি সন্দৰ্ভত বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে সকলো দিশ সামৰি আলোচনা কৰা হয়। বৈঠকত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ উপ-মহাপৰিদৰ্শক, জিলা উন্নয়ন আয়ুক্ত নন্দিতা বৰুৱা, অতিৰিক্ত জিলা আয়ুক্ত তথা সমজিলা আয়ুক্ত বিৰাজ বৰুৱা, অতিৰিক্ত আৰক্ষী অধীক্ষক, অতিৰিক্ত জিলা আয়ুক্ত আদিকে ধৰি সকলো বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

ভাৰতীয় জনতা পাৰ্টীৰ বিধায়ক তৰংগ গগৈয়ে কালি ডিব্ৰুগড় জিলাত দলটোৰ বিভিন্ন জিলা সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে মিলিত হৈ নাহৰকটীয়া সমষ্টিৰ নিৰ্বাচন প্ৰবন্ধন সমিতি গঠন কৰে। সমাগত নিৰ্বাচনক কেন্দ্ৰ কৰি দলীয় কৰ্মকৰ্তাসকলৰ ওপৰত ন্যস্ত কৰা দায়িত্ব আৰু কৰ্তব্যসমূহ নিয়াৰিকৈ তথা নিষ্ঠাৰে পালন কৰিবলৈ বিধায়কগৰাকীয়ে সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনত শিৱসাগৰ সমষ্টিত অসম গণ পৰিষদে নিজস্ব প্ৰাৰ্থী থিয় কৰাব বুলি ঘোষণা কৰিছে। ইতিমধ্যে বিলুপ্ত হোৱা আমগুৰি সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাক প্ৰাৰ্থী হিচাপে থিয় কৰাবলৈ তৃণমূল কৰ্মীয়ে জনোৱা দাবীৰ ভিত্তিত দলটোৱে এই সিদ্ধান্ত গ্ৰহণ কৰে। অগপৰ শিৱসাগৰ জিলা সমিতি আৰু বিধানসভা

সমষ্টি সমিতিয়ে কালি আয়োজন কৰা এখন যৌথ সংবাদমেলত এই সিদ্ধান্তৰ কথা অৱগত কৰে। দলটোৰ ৰাজ্যিক সভাপতি অতুল বৰাৰ নিৰ্দেশনামৰ্মে এই ঘোষণা কৰা হৈছে বুলি এই সংবাদমেলখনত প্ৰকাশ কৰা হয়।

০০০০০০

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে কালি ধেমাজি জিলাৰ চিচিবৰগাঁও বিধানসভা সমষ্টিৰ কুলাজানত অনুষ্ঠিত এখন দলীয় সভাত অংশগ্ৰহণ কৰে। সভাত অংশগ্ৰহণ কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে কয়, যে এইবাৰ অসমৰ নিৰ্বাচন ভাৰতৰ বাবে ব্যতিক্ৰমী নিৰ্বাচন হ'ব। জনসাধাৰণে ধনবল, বাহুবল ওফৰাই কংগ্ৰেছৰ সপক্ষে নিৰ্বাচনত যুঁজ দিব বুলিও সাংসদগৰাকীয়ে প্ৰকাশ কৰে। এই সভাত গৌৰৱ গগৈৰ লগতে দলৰ বহু নেতাকৰ্মী উপস্থিত থাকে।

০০০০০০

জুবিন গাৰ্গৰ খাৰঘূলিৰ বাসগৃহত প্ৰয়াত শিল্পীগৰাকীৰ নামত এটা ন্যাস গঠন কৰা হ'ব বুলি এখন সংবাদমেলযোগে পত্নী গৰিমা শইকীয়া গাৰ্গে প্ৰকাশ কৰিছে। গৰিমা শইকীয়া গাৰ্গ আৰু জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰে সম্বোধন কৰা সংবাদমেলখনত তেওঁলোকে কয়, যে জুবিন গাৰ্গ ন্যাসে সামাজিক আৰু সাংস্কৃতিক দিশত কাম কৰি যাব। ন্যাসটো জুবিন গাৰ্গৰ খুড়াক মনোজ বৰঠাকুৰ, জ্যেষ্ঠ আৰক্ষী বিষয়া পাৰ্থ সাৰথি মহন্ত আৰু জ্যেষ্ঠ সাংবাদিক গৌতম শৰ্মাই পৰিচালনা কৰিব। জুবিন গাৰ্গ ন্যাসৰ অধীনত কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন, অভিনয় আৰু জুবিন গাৰ্গৰ সন্দৰ্ভত চলি থকা বিভিন্ন গৱেষণা শীৰ্ষক ৩টা শাখা থাকিব বুলিও তেওঁলোকে প্ৰকাশ কৰে।

০০০০০০

**সমাপ্ত**